# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 23-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আমেৰিকা ভ্ৰমণৰ আজি দ্বিতীয়  দিনা নেপালৰ প্ৰধানমন্ত্ৰী, কুৱেইটৰ যুৱৰাজ আৰু পেলেষ্টাইনৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিনত আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় সেনাক শক্তিশালী কৰাৰ ক্ষেত্ৰত সামৰিক বিদ্যালয়সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে বুলি মন্তব্য কৰিছে।

৪। সমগ্ৰ দেশতে ৭০ হাজাৰতকৈও অধিক বাহন চাৰ্জিং ষ্টেচন স্থাপনৰ বাবে কেন্দ্ৰই দুহেজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। ***আৰু***

৫। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আমেৰিকা ভ্ৰমণৰ আজি দ্বিতীয়  দিনা নেপালৰ প্ৰধানমন্ত্ৰী, কুৱেইটৰ যুৱৰাজ আৰু পেলেষ্টাইনৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিৰ সৈতে হোৱা বৈঠকত  দুয়োগৰাকী নেতাই ভাৰত আৰু নেপালৰ মাজত থকা অনন্য আৰু দৃঢ় দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত পৰ্যালোচনা কৰে। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে উন্নয়ন অংশীদাৰিত্ব, জলবিদ্যুৎ সহযোগিতা আদি বিভিন্ন ক্ষেত্ৰত দুয়োদেশৰ মাজত হোৱা বুজাবুজি আৰু ডিজিটীয় তথা শক্তিৰ ক্ষেত্ৰসমূহৰ যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণ সন্দৰ্ভত সন্তোষ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে আন্তৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাৰ ১০১ সংখ্যক পূৰ্ণসদস্যৰূপে অন্তৰ্ভুক্ত হোৱাৰ বাবে নেপালক অভিনন্দন জ্ঞাপন কৰাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ দিশত আঞ্চলিক  প্ৰতিক্ৰিয়াৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। উল্লেখযোগ্য যে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ অধীনত নেপাল হৈছে এখন অগ্ৰাধিকাৰ অংশীদাৰ ৰাষ্ট্ৰ।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেইটৰ যুৱৰাজ শ্বেইখ চাবাহ খালেদ অল হামাদ অল চাবাহৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে কুৱেইটৰ সৈতে থকা ভাৰতৰ দ্বিপাক্ষিক সম্বন্ধৰ অপৰিসীম গুৰুত্বৰ বিষয়ে প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু কুৱেইটৰ মাজত থকা শক্তিশালী ঐতিহাসিক বান্ধোনৰ কথা সোঁৱৰে। শক্তি আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত দুয়োখন দেশে পৰস্পৰক প্ৰদান কৰি অহা সহযোগিতাৰ সন্দৰ্ভত নেতা

দুগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কুৱেইটৰ যুৱৰাজগৰাকীক দেশখনত বসবাস কৰা ভাৰতীয় লোকসকলৰ কল্যাণ সুনিশ্চিত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

আনহাতে, পেলেষ্টাইনৰ ৰাষ্ট্ৰপতি মহমুদ আববাছৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে গাজাত উদ্ভৱ হোৱা অমানৱীয় পৰিস্থিতিৰ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে পেলেষ্টাইনৰ নাগৰিকসকলৰ প্ৰতি ভাৰতৰ পূৰ্ণ সহযোগিতা থকাৰ কথা উল্লেখ কৰি তেওঁলোকলৈ মানৱীয় সাহায্য আগবঢ়াই যোৱাৰ আশ্বাস প্ৰদান কৰে।

000

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰীক পদক্ষেপ গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি -ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় সেনাক শক্তিশালী কৰাৰ ক্ষেত্ৰত সামৰিক বিদ্যালয়সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে বুলি মন্তব্য কৰিছে। আজি জয়পুৰত এখন সামৰিক বিদ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰি শ্ৰী সিঙে কয় যে, ৰাজস্থান সংস্কৃতি আৰু বীৰত্বৰ বাবে প্ৰসিদ্ধ। এই সামৰিক বিদ্যালয়খন চলিত শিক্ষা বৰ্ষতে ইতিমধ্যে কাৰ্যকৰী হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই বিদ্যালয়খন কেন্দ্ৰীয় চৰকাৰৰ এশ খন ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব ব্যৱস্থাৰে মুকলি হবলগীয়া সামৰিক বিদ্যালয়সমূহৰ অন্যতম।

000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৮ চনত আৰম্ভ কৰা প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনিখনে আজি ছবছৰ সম্পূৰ্ণ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই কথা প্ৰকাশ কৰি কয়ে যে যোৱা ছবছৰত এই অভিলাসী আঁচনিখনে দেশৰ লাখ লাখ নাগৰিকৰ জীৱন স্পৰ্শ কৰিছে আৰু আশা, নিৰাময়ৰ ক্ষেত্ৰত জীৱন ৰক্ষাকাৰী চিকিৎসা প্ৰদান কৰিছে। তেওঁ লগতে কয় যে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনিৰ যাত্ৰাই এটা জাতিৰ সুস্বাস্থ্য সুনিশ্চিত কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। শ্ৰী নাড্ডাই দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বাবে ন্যায্য স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও উল্লেখ কৰে।

000

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কৈছে যে, চৰকাৰে অহা বছৰৰ মাজ ভাগলৈকে এক লাখ 4G মোবাইল টাৱাৰ স্থাপন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰে ৩৬ হাজাৰ ৫৭৪ টা 4G মোবাইল টাৱাৰ ইতিমধ্যে স্থাপন কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিনৰ সফলতা সন্দৰ্ভত এখন সংবাদ মেলক সম্বোধন কৰি শ্ৰীসিন্ধিয়াই এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, 4G প্ৰযুক্তিয়ে দেশৰ প্ৰায় সকলোবোৰ জিলাকে সামৰিবলৈ সমৰ্থ হৈছে আৰু বৰ্তমানে দেশৰ প্ৰায় ৯৭ শতাংশ চহৰ অঞ্চল আৰু  প্ৰায় ৮০ শতাংশ জনসংখ্যাই 4G নেটৱৰ্কৰ সুবিধা লাভ কৰিছে।

000

সমগ্ৰ দেশতে ৭০ হাজাৰতকৈও অধিক বাহন চাৰ্জিং ষ্টেচন স্থাপনৰ বাবে কেন্দ্ৰই দুহেজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। গুৱাহাটীত কেন্দ্ৰীয় গধুৰ উদ্যোগ আৰু তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে এখন সংবাদমেল সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে অসমৰ কাৰ্বি আংলং জিলাৰ চিমেণ্ট কৰ্প’ৰেচন অব্ ইণ্ডিয়া লিমিটেডৰ বোকাজান প্ৰকল্প পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰে প্ৰায় ৭০০ কোটি টকা বিনিয়োগ কৰিব। শ্ৰী কুমাৰাস্বামীয়ে শনিবাৰে বোকাজান চিমেণ্ট ফেক্টৰীত কেঁচা মিলত হট গেছৰ ব্যৱহাৰ উদ্বোধন কৰাৰ লগতে ১ মেগাৱাট গ্ৰীড সংযোজিত সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

000

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰে। এই পৰ্যায়ত ৫ খন জিলাৰ ২৬ টা বিধানসভা সমষ্টিত পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। ভোটগ্ৰহণ অনুষ্ঠিত হ’বলগীয়া জিলাকেইখন হৈছে - জম্মু খণ্ডত ৰিয়াচি, ৰাজৌৰী আৰু পুঞ্চ। আনহাতে, কাশ্মীৰ উপত্যকাৰ নিৰ্বাচন অনুষ্ঠিত হ’বলগীয়া জিলাকেইখন হৈছে শ্ৰীনগৰ আৰু বাদগাম। এই পৰ্যায়ত ২৫ লাখতকৈও অধিক ভোটদাতাই ২৩৯ জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। নিৰ্বাচনৰ প্ৰক্ৰিয়া মসৃন আৰু আসোঁৱাহমুক্ত কৰিবলৈ ভাৰতীয় নিৰ্বাচন আয়োগে ২৬ টা বিধানসভা সমষ্টিত ৩ হাজাৰ ৫০২ টা ভোটকেন্দ্ৰ স্থাপন কৰাৰ লগতে আটাইকেইটা ভোটকেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰিছে।

উল্লেখযোগ্য যে, জম্মু আৰু কাশ্মীৰত তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ১ অক্টোবৰত অনুষ্ঠিত হ’ব আৰু অহা ৮ অক্টোবৰত ভোটগণনা কৰা হ’ব।

000

আকাশবাণী বাতৰি সেৱা  বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাবলিক স্পীকত আজি নিশা চাৰে ন বজাত ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে পৰিপুষ্টি  সম্পৰ্কীয় সজাগতা আৰু সুস্থ ভাৰত গঢ় দিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত এটি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ’ব। এই আলোচনাত অংশগ্ৰহণ কৰিব ছফদৰজং চিকিৎসালয়ৰ চিকিৎসক ৰূপালী মালিকে। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত  ০১১ ২৩৪২১০৫০, ০১১ ২৩৩১৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত অতিথিগৰাকী প্ৰশ্ন সুধিব পাৰিব।  তেওঁলোকে হোৱাটছএপযোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈ প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পাব।

000

বিগত কেইবাদিনো ধৰি অব্যাহত থকা উৎকট গৰমৰ বাবে কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়সমূহ কাইলৈৰ পৰা ২৭ ছেপ্তেম্বৰলৈ বন্ধ ঘোষণা কৰা হৈছে। প্ৰচণ্ড গৰমৰ বাবে মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ মুৰববীয়ে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ বিষয়ে অৱগত কৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তৰ অনুমোদন মৰ্মে সমগ্ৰ শিক্ষা অভিযান অসমে এই নিৰ্দেশনা জাৰি কৰিছে।

০০০

চিত্ৰ নিৰ্মাতা কিৰণ ৰাওৰ হিন্দী বোলছবি লাপাটা লেডিজক ২০২৫ বৰ্ষৰ অস্কাৰ বঁটাৰ শ্ৰেষ্ঠ বিদেশী ভাষাৰ ছবিৰ শিতানলৈ ভাৰতৰ হৈ আনুষ্ঠানিকভাৱে প্ৰেৰণ কৰা হৈছে। ফিল্ম ফেডাৰেশ্বন অৱ ইণ্ডিয়াই এই কথা প্ৰকাশ কৰি কয় যে, অসমীয়া পৰিচালক জাহ্নু বৰুৱাৰ নেতৃত্বত ১৩ জনীয়া বাচনি সমিতিয়ে আমিৰ খান আৰু কিৰণ ৰাওৰ দ্বাৰা প্ৰযোজিত লাপাটা লেডিজক সৰ্বসন্মতিক্ৰমে বাচনি কৰে।

০০০

সমাপ্ত